2026

ASSAMESE

(Major)

Paper : ASS4400304MJ

(অসমীয়া কবিতা)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) কোনজন কবিয়ে মাধৱ কন্দলিক 'পূৰ্বকবি অপ্ৰমাদী' আখ্যা দিছিল ?

(খ) ৰাজাক সম্বুধি কহে শুকে যেবে
ৰাৰিষা সময় গৈল
ইয়াত 'ৰাজাক' বুলি কোনজন ৰজাৰ কথা কোৱা হৈছে ?

(গ) " 'গীতি-ৰামায়ণ' বাল্মিকীৰ অনুবাদ নহয়, ৰৰং অপ্ৰমাদী কবি মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ জনপ্ৰিয় সংস্কৰণ।" এই মন্তব্যটো কোনে কৰিছিল ?

(ঘ) "ৰজতেৰে দেহ সাজি/ শোভিছাহে মেঘ আজি"—
ইয়াত থকা 'ৰজত' শব্দৰ অৰ্থ কি ?

(ঙ) চন্দ্রকুমাৰ আগৰৱালাৰ 'অজেয়' কবিতাটি কবিৰ কোনখন কবিতাপুথিৰ পৰা লোৱা হৈছে?

(চ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন কবিতাপুথিৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ছ) ৰঘুনাথ চৌধাৰীয়ে সম্পাদনা কৰা এখন আলোচনীৰ নাম লিখা।

(জ) নীলমণি ফুকনে কোন চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

২। চমু উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) মাধৱ কন্দলিয়ে কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল? 'ৰামায়ণ'ৰ বাহিৰে মাধৱ কন্দলিৰ নামত পোৱা আনখন কাব্যৰ নাম কি?

(খ) শংকৰদেৱে 'ৰামায়ণ'ৰ কোনটো কাণ্ড আৰু 'দশম'ৰ কোন অংশ অনুবাদ কৰিছিল?

(গ) ভোলানাথ দাসৰ 'সীতাহৰণ' কাব্যখন কি ছন্দত লিখা হৈছে? এই ছন্দ ব্যৱহাৰ কৰোঁতে কোনজন বংগীয় কবিক অনুকৰণ কৰিছিল?

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথমখন কবিতাপুথিৰ নাম লিখা। এইখন কোন চনত প্ৰকাশ পাইছিল?

(ঙ) বিষয়বস্তুৰ ক্ষেত্ৰত অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দেখা পোৱা প্ৰধান ধাৰা দুটা কি কি?

(চ) দেৱকান্ত বৰুৱাই মূলতঃ কোনজন পশ্চিমীয়া কবিৰ কাব্যৰীতিৰে কবিতা লিখিছিল? এই ৰীতিক কি নামেৰে জনা যায়?

(ছ) পৌৰাণিক চৰিত্ৰক মূল বিষয় হিচাপে লৈ নৱকান্ত বৰুৱাই ৰচনা কৰা দুখন কবিতাপুথিৰ নাম উল্লেখ কৰা।

(জ) অজিৎ বৰুৱাৰ দুখন কবিতাপুথিৰ নাম লিখা।

(ঝ) নীলমণি ফুকনে অনুবাদ কৰা দুখন কবিতাপুথিৰ নাম লিখা।

(ঞ) আধুনিক অসমীয়া কবিতাৰ সৃষ্টিপৰ্বৰ প্ৰথম দুজন কবিৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) মাধৱ কন্দলিয়ে কি ধৰণৰ নীতি-আদৰ্শ সমুখত ৰাখি 'ৰামায়ণ' অনুবাদ কৰিছিল, সেই সম্পৰ্কে লিখা।

(খ) ''আৰো চাৰি কাৰ্য্য / শৰতে সাধিলে / শুনা দেওঁ তাৰ লেখা।'' ইয়াত উল্লেখ থকা কি চাৰি কাৰ্য শৰতে সাধিলে, চমুকৈ আলোচনা কৰা।

(গ) 'মেঘ' কবিতাত ব্যৱহাৰ হোৱা অলংকাৰৰ বিষয়ে এটি টোকা লিখা।

(ঘ) 'অজেয়' কবিতাত কবিয়ে কেনেকৈ নিজৰ অজেয় মনোভাৱ ব্যক্ত কৰিছে, চমুকৈ আলোচনা কৰা।

(ঙ) শংকৰী যুগৰ কাব্য-সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে এটি চমু টোকা লিখা।

(চ) ৰোমাণ্টিক কবিতাৰ যি কোনো চাৰিটা লক্ষণৰ বিষয়ে চমুকৈ লিখা।

(ছ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাৰ মূল কথাখিনি চমুকৈ লিখা।

(জ) নীলমণি ফুকনে 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাত ব্ৰহ্মপুত্ৰত সূৰ্য অস্ত যোৱাৰ চিত্ৰ কেনেদৰে অংকন কৰিছে, আলোচনা কৰা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) 'ৰাম বিহীন অযোধ্যাৰ বৰ্ণনা' কাব্যাংশৰ আধাৰত ৰাম অবিহনে অযোধ্যাত কেনে পৰিৱেশৰ সৃষ্টি হৈছিল, বৰ্ণনা কৰা।

(খ) শংকৰদেৱে 'শৰৎ বৰ্ণনা' কবিতাৰ জৰিয়তে প্ৰাকৃতিক চিত্ৰ আৰু ভক্তিতত্ত্ব কেনেদৰে ফুটাই তুলিছে, উদাহৰণসহ আলোচনা কৰা।

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মালতী' কবিতাত প্ৰাকৃতিক সৌন্দৰ্য কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঘ) 'গোলাপ' কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰি এটি আলোচনা যুগুত কৰা।

(ঙ) নীলমণি ফুকনৰ 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' আৰু অজিৎ বৰুৱাৰ 'মন-কুঁৱলী সময়' কবিতাত আধুনিক কবিতাৰ কোনবোৰ লক্ষণ পৰিস্ফুট হৈছে, আলোচনা কৰা।

★★★